# Krishna Kanta Handiqui State Open University

## MA 4th Sem. Examination, 2014

বিষয় ঃ অসমীয়া কাকত ঃ চতুৰ্দশ (ভাষা শাখা)

ৰূপতত্ত্ব আৰু অসমীয়া ৰূপতত্ত্ব

সময় ঃ ৩ ঘণ্টা মুঠ নম্বৰ ঃ ৮০

১। তলৰ যিকোনো ৫ টা প্ৰশ্নৰ উত্তৰ লিখক ২×৫ = ১০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'আকৃতি' মানে কি বুজে?

(খ) প্ৰাকৃতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

(গ) প্ৰকৃতি আৰু প্ৰাকৃতি একে নেকি? দুটাকৈ উদাহৰণ দিয়ক।

(ঘ) দ্বিবচন পোৱা যিকোনো দুটা ভাষাৰ নাম উল্লেখ কৰক।

(ঙ) অসমীয়া ভাষাৰ কাৰক সাধন কৰা পদ্ধতি কেইটা আৰু কি কি উল্লেখ কৰক।

(চ) অসমাপিকা ক্ৰিয়া পদৰ গঠনত প্ৰয়োগ হোৱা ৰূপান্তক সৰ্গটো কি? উদাহৰণসহ লিখক।

(ছ) বাংলা ভাষাত একবচনৰ অৰ্থ প্ৰকাশ কৰা যিকোনো দুটা উপায় উল্লেখ কৰক।

২। তলৰ যিকোনো ৩ টা প্ৰশ্নৰ উত্তৰ লিখক ৪×৩ = ১২

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) গঠনৰ ওপৰত ভিত্তি কৰি শব্দক কেইটা ভাগত ভগাব পাৰি? ভাগকেইটা কি কি উদাহৰণসহ লিখক।

(খ) প্ৰাকৃতিৰ চিনাক্তকৰণ কিদৰে কৰিব পাৰি? উদাহৰণসহ ব্যাখ্যা কৰক।

(গ) সৰ্গৰ গুণগত শ্ৰেণীবিভাজন সম্পৰ্কে অসমীয়া ভাষাৰ পৰা উদাহৰণ লৈ চমুকৈ লিখক।



(ঘ) অসমীয়াত কি কি উপায়েৰে বহুতৰ মাজত তুলনা কৰা হয় উদাহৰণসহ দেখুৱাওক।

(ঙ) 'ক্ৰিয়া পদৰ বাচ্য' - সম্পৰ্কে চমুটোকা লিখক।

(চ) উড়িয়া ভাষাৰ গঠনমূলক প্ৰত্যয় সম্পৰ্কে লিখক।

৩। তলৰ যিকোনো ৩ টা প্ৰশ্নৰ উত্তৰ লিখক ৬×৩ = ১৮

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) মধ্য প্ৰত্যয় বুলিলে কি বুজে? অসমীয়া ভাষাত মধ্য প্ৰত্যয় আছেনে? বিশ্লেষণ কৰক।

(খ) অনুসৰ্গ বুলিলে কি বুজে? অসমীয়া ভাষাৰ অনুসৰ্গ সম্পৰ্কে এটি টোকা যুগুত কৰক।

(গ) অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামবোৰে বচন অনুযায়ী কি ৰূপ লয়? আলোচনা কৰক।

(ঘ) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ বচনৰ এটি তুলনামূলক বিচাৰ আগবঢ়াওক।

(ঙ) উড়িয়া ভাষাৰ স্ত্ৰী প্ৰত্যয় সম্পৰ্কে এটি টোকা লিখক।

৪। তলৰ যিকোনো ৪ টা প্ৰশ্নৰ উত্তৰ লিখক ১০×৪ = ৪০

(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) প্ৰকৃতি বুলিলে কি বুজে? প্ৰকৃতিৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

(খ) ব্যাকৰণগত বিষয় বুলিলে কি বুজে? অসমীয়া ভাষাত ব্যাকৰণগত বিষয় কোন কেইটা- আলোচনা আগবঢ়াওক।

(গ) কাৰক কাক বোলে? অসমীয়া ভাষাত কাৰক কেইটা আৰু কি কি? কাৰক আৰু শব্দবিভক্তিৰ সম্পৰ্ক নিৰ্ণয় কৰক।

(ঘ) অসমীয়া ভাষাত ক্ৰিয়াৰ প্ৰকাৰ সম্পৰ্কে আলোচনা কৰক।